**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 09-03-2026
**Time :** 1910 HRS.

ASSAMESE EVENING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। পশ্চিম এছিয়াৰ পৰিস্থিতি সন্দৰ্ভত আলোচনাৰ দাবীত বিৰোধী দলসমূহে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পাছত লোকসভা স্থগিত ৰখা হয়।

২। মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণৰ লগতে জনসাধাৰণৰ ওপৰত পৰা ইয়াৰ প্ৰভাৱ নিৰ্মূল কৰাৰ বাবে চৰকাৰে ৰাজহ আৰু বাণিজ্য নীতিকে ধৰি এলানি প্ৰশাসনিক ব্যৱস্থা গ্ৰহণ কৰিছে।

৩। প্ৰধানমন্ত্ৰী উজ্বলা যোজনাৰ অধীনত চৰকাৰে ১০ কোটি ৫১ লাখ দৰিদ্ৰ পৰিয়ালৰ মহিলালৈ ৰন্ধন গেছৰ সংযোগ প্ৰদান কৰিছে।

৪। ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে আজি ইৰানৰ নতুন নেতা নিৰ্বাচিত হোৱাৰ বাবে মোজতাবা খামেনেইক শুভেচ্ছা জনাইছে।

*আৰু*

৫। দিল্লী বিমান বন্দৰ কৰ্তৃপক্ষই পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত যাত্ৰীসকলৰ বাবে এলানি নিৰ্দেশনা জাৰি কৰিছে।

০০০০০

পশ্চিম এছিয়াৰ পৰিস্থিতি সন্দৰ্ভত আলোচনাৰ দাবীত বিৰোধী দলসমূহে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পাছত লোকসভা স্থগিত ৰখা হয়। দ্বিতীয় বাৰৰ বাবে স্থগিত হোৱাৰ পাছত সদন দিনৰ ৩ বজাত পুনৰ মিলিত হোৱাত সদন পৰিচলানাৰ দায়িত্বত থকা জগদম্বীকা পালে কংগ্ৰেছৰ মহম্মদ জাভেদক সদনৰ নিৰ্ধাৰিত সূচী অনুসৰি লোকসভা অধ্যক্ষ ওম বিৰলাৰ অপসাৰণৰ প্ৰস্তাৱটো উত্থাপন কৰিবলৈ আহ্বান জনায়। কিন্তু কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ, ডি এম কে, সমাজবাদী পাৰ্টী আৰু আন আন বিৰোধী দলৰ সদস্যসকলে পশ্চিম এছিয়াৰ পৰিস্থিতি সন্দৰ্ভত আলোচনাৰ দাবী জনায়। শ্ৰীপালে কয় যে বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে ইতিমধ্যে সদনৰ শূন্য কালত পশ্চিম এছিয়াৰ পৰিস্থিতি সন্দৰ্ভত বিবৃতি দিছে আৰু সেয়ে এই বিষয়টো সন্দৰ্ভত আলোচনাৰ অনুমতি দিয়া হয়। শ্ৰীপালে প্ৰতিবাদকাৰী সদস্যসকলক নিজৰ আসন গ্ৰহণ কৰিবলৈ বাৰে বাৰে আহ্বান জনায়। কিন্তু তেওঁ বাৰে বাৰে আহ্বান জনোৱাৰ পাছতো বিৰোধীৰ সদস্যসকলে প্ৰতিবাদ অব্যাহত ৰখাত সদন কাইলৈ দিনৰ ১১ বজা পৰ্যন্ত স্থগিত ৰখা হয়। ইয়াৰ পূৰ্বে লোকসভা প্ৰথমবাৰ স্থগিত হোৱাৰ পাছত দিনৰ ১২ বজাত সদন পুনৰ মিলিত হয়। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত নিউজিলেণ্ডক পৰাস্ত কৰি চেম্পিয়নৰ খিতাপ অৰ্জন কৰা ভাৰতীয় দলটোক লোকসভাই অভিনন্দন জনাইছে।

ইয়াৰ পাছতেই বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে সদনত পশ্চিম এছিয়াৰ পৰিস্থিতি সন্দৰ্ভত বিবৃতি দিয়ে। মন্ত্ৰীগৰাকীয়ে কয় যে আলোচনা আৰু কূটনৈতিক কাৰ্যকলাপৰ দ্বাৰা অঞ্চলটোত সৃষ্টি হোৱা পৰিস্থিতিৰ প্ৰশমিত কৰিব পৰা যাব। মন্ত্ৰীগৰাকীয়ে সদনত মন্তব্য আগবঢ়োৱাৰ সময়তেই বিৰোধী সদস্যসকলে প্লা কাৰ্ড প্ৰদৰ্শন কৰে। বিৰোধী সদস্যসকলে প্ৰতিবাদ কৰা সন্দৰ্ভত সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে অসন্তুষ্টি প্ৰকাশ কৰি কয় যে তেওঁ নিজৰ জীৱন কালত এনে দায়িত্বহীন বিৰোধী কেতিয়াও

দেখা নাছিল। তেওঁ কয় যে লোকসভাৰ অধ্যক্ষৰ বিৰুদ্ধে লোৱা প্ৰস্তাৱ সন্দৰ্ভত বিৰোধী দলক জাননী জাৰি কৰা হৈছে আৰু এই বিষয়টো আজি আলোচনাৰ অন্তৰ্ভুক্ত কৰা হৈছে বুলিও তেওঁ মন্তব্য কৰে। তেওঁ কয় যে চৰকাৰ এই বিষয়টোক লৈ আলোচনা কৰিবলৈ সাজু আছে। তেওঁ কয় যে বিৰোধী বিবুধিত পৰিছে আৰু সেয়ে তেওঁলোকে আন আন বিষয়ৰ আলোচনাৰ বাবে দাবী জনাইছে। সদন পৰিচালনাৰ দায়িত্বত থকা জগদম্বীকা পালৰ অনুৰোধ সত্বেও বিৰোধীয়ে প্ৰতিবাদ অব্যাহত ৰখাত সদন দিনৰ ৩ বজালৈ স্থগিত ৰাখিবলগীয়া হয়। ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত নিম্ন সদন মিলিত হোৱাৰ সময়ত সদ্যপ্ৰয়াত শ্বিলঙৰ সাংসদ তথা ভইচ অৱ দ্যা পিপল পাৰ্টীৰ নেতা ড০ ৰিকি এণ্ড্ৰিউ জে চিংকনৰ প্ৰতি শ্ৰদ্ধা জনোৱা হয়। সদনে লগতে প্ৰাক্তন সদস্য কুমাৰী সুশীলা ত্ৰিৰিয়া, দেৱী বাক্স সিং, পূৰ্ণমাসি ৰাম আৰু কে বি উন্নীকৃষ্ণনৰ প্ৰতিও শ্ৰদ্ধা নিবেদন কৰে। প্ৰয়াত সাংসদসকলৰ আত্মাৰ শান্তি কামনাৰে সকলো সদস্যই কিছু সময় মৌনতা অৱলম্বন কৰে। ইয়াৰ পাছতে দুপৰীয়া ১২ বজালৈ সদন স্থগিত ৰখা হৈছিল।

০০০০০

মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণৰ লগতে জনসাধাৰণৰ ওপৰত পৰা ইয়াৰ প্ৰভাৱ নিৰ্মূল কৰাৰ বাবে চৰকাৰে ৰাজহ আৰু বাণিজ্য নীতিকে ধৰি এলানি প্ৰশাসনিক ব্যৱস্থা গ্ৰহণ কৰিছে। লোকসভাত আজি এটা লিখিত প্ৰশ্নৰ উত্তৰত বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে কয় যে বিশ্বব্যাপী খাৰুৱা তেলৰ মূল্যবৃদ্ধিৰ বাবে মুদ্ৰাস্ফীতিৰ ওপৰত পৰা মধ্যমকালীন প্ৰভাৱ বিনিময় হাৰৰ পৰিৱৰ্তন, গোলকীয় চাহিদা আৰু যোগান পৰিস্থিতি, মুদ্ৰাস্ফীতি পৰিৱৰ্তনকে ধৰি বিভিন্ন কাৰকৰ ওপৰত নিৰ্ভৰশীল। তেওঁ কয় যে যোৱা ২৮ ফেব্ৰুৱাৰীৰ পৰা পশ্চিম এছিয়াত ভূৰাজনৈতিক সংঘাত আৰম্ভ হোৱাৰ আগলৈকে যোৱা এবছৰ ধৰি বিশ্ব বজাৰত খাৰুৱা তেলৰ লগতে ভাৰতৰ তেলৰ মূল্য নিম্নগামী হৈ আছে। ভাৰতীয় ৰিজাৰ্ভ বেংকৰ মুদ্ৰানীতিৰ প্ৰতিবেদনৰ কথা উল্লেখ কৰি তেওঁ কয় যে যদি খাৰুৱা তেলৰ মূল্য আনুমানিক ভিত্তি মূল্যতকৈ ১০ শতাংশ অধিক হয় আৰু ইয়াৰ সম্পূৰ্ণ প্ৰভাৱ ঘৰুৱা মূল্যৰ ওপৰত পৰে তেন্তে মুদ্ৰাস্ফীতিৰ হাৰ ৩০ ভিত্তি পইণ্ট পৰ্যন্ত বৃদ্ধি পাব পাৰে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে জানিবলৈ দিছে যে দেশত প্ৰায় এহেজাৰ ৯০০ মিলিয়ন মেট্ৰিক টনৰো অধিক খাৰুৱা তেলৰ ভাণ্ডাৰ আৰু এহেজাৰ ৮০০ বিলিয়ন কিউবিক মিটাৰৰো অধিক প্ৰাকৃতিক গেছ ভাণ্ডাৰ আছে। ৰাজ্যসভাত আজি এটা লিখিত উত্তৰত পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ ৰাজ্যমন্ত্ৰী সুৰেশ গোপীয়ে কয় যে ইয়াৰে ৪২৩ দশমিক ১ মিলিয়ন মেট্ৰিক টন খাৰুৱা তেল আৰু ৫৯৫ দশমিক ৪ বিলিয়ন কিউবিক মিটাৰ প্ৰাকৃতিক গেছ মজুত আছে। ভূ-ৰাজনৈতিক অনিশ্চয়তাৰ মাজত বাধাহীনভাৱে শক্তিৰ যোগান অব্যাহত ৰখাৰ বাবে কেন্দ্ৰীয় চৰকাৰে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী উজ্বলা যোজনাৰ অধীনত চৰকাৰে ১০ কোটি ৫১ লাখ দৰিদ্ৰ পৰিয়ালৰ মহিলালৈ ৰন্ধন গেছৰ সংযোগ প্ৰদান কৰিছে। দেশৰ মহিলাসকলক বিনামূলীয়া ৰন্ধন গেছৰ সংযোগ প্ৰদানৰ বাবে ২০১৬ চনৰ মে'ত এই আঁচনি আৰম্ভ কৰা হৈছিল। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ ৰাজ্যমন্ত্ৰী সুৰেশ গোপীয়ে আজি ৰাজ্যসভাত এটা লিখিত প্ৰশ্নৰ উত্তৰত এইদৰে কয়। তেওঁ কয় যে এই আঁচনিৰ ফলত কাঠ, শস্যৰ অৱশিষ্ট আদি পুৰি ৰন্ধন কাৰ্য সম্পাদন কৰা পৰম্পৰাগত পদ্ধতিৰ পৰিৱৰ্তন হয়। শ্ৰীগোপীয়ে কয় যে স্বচ্ছ ইন্ধন ব্যৱহাৰৰ ফলত ঘৰৰ ভিতৰৰ বায়ু প্ৰদূষণ কম হোৱাৰ লগতে জুই জ্বলোৱাৰ ফলত বিশেষভাৱে মহিলা আৰু শিশুৰ মাজত দেখা-দিয়া শ্বাস-প্ৰশ্বাসজনিত সমস্যা হ্ৰাস পোৱা পৰিলক্ষিত হৈছে।

০০০০০

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে আজি ইৰানৰ নতুন নেতা নিৰ্বাচিত হোৱাৰ বাবে মোজতাবা খামেনেইক শুভেচ্ছা জনাইছে। ইৰাণৰ সৈতে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলৰ মাজত অব্যাহত থকা সংঘাতৰ মাজত শ্ৰীপুটিনে ইৰানৰ প্ৰতি সমৰ্থন আগবঢ়াইছে। ইফালে, মোজতাবা খামেনেইৰ নিযুক্তিত হোৱাইট হাউছে তাৎক্ষণিকভাৱে কোনো সঁহাৰি জনোৱা নাই যদিও ইজৰাইলে ইৰাণৰ নতুন সৰ্বোচ্চ নেতাগৰাকীক আক্ৰমণ কৰা হ'ব বুলি সকিয়াই দিছে। ইৰানৰ প্ৰশাসনিক সমিতিয়ে ৫৬ বছৰীয়া মোজতাবা খামেনেইক অলপতে নিহত হোৱা দেশখনৰ সৰ্বোচ্চ নেতা আয়াতুল্লা আলী খামেনেইৰ হিতাধিকাৰী হিচাপে কালি ঘোষণা কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ইজৰাইলৰ যুটীয়া আক্ৰমণত আয়াতুল্লা আলী খামেনেই নিহত হোৱাৰ ৯দিন পাছত এই ঘোষণা কৰা হয়।

ooooo

তেহৰানত থকা ভাৰতীয় দূতাবাসে দেশখনত থকা ভাৰতীয় নাগৰিকসকলক দূতাবাসৰ প্ৰয়োজনীয় সহযোগিতা তথা অনুমতি অবিহনে ইৰানৰ পৰা ভূসীমান্তইদি আন দেশলৈ নাযাবলৈ আহ্বান জনাইছে। দূতাবাসে জাৰি কৰা বিজ্ঞপ্তি অনুসৰি যদি কোনো ব্যক্তিয়ে ইৰাণৰ ভূভাগৰ পৰা আন দেশত প্ৰবেশ কৰে তেতিয়া তেনে ব্যক্তিৰ সবিশেষ দূতাবাসৰ পৰা জানিব পৰা নহ'ব।

ooooo

দিল্লী বিমান বন্দৰ কৰ্তৃপক্ষই পশ্চিম এছিয়াৰ সাম্প্ৰতিক পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত যাত্ৰীসকলৰ বাবে এলানি নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনাত কোৱা হৈছে যে পশ্চিম অভিমুখী বিমানসমূহৰ সময়সূচী সালসলনি হ'ব পাৰে বা যাত্ৰাৰ বিলম্ব ঘটিব পাৰে। দিল্লী বিমান বন্দৰ কৰ্তৃপক্ষই যাত্ৰীসকলক বিমান কোঠলৈ যোৱাৰ পূৰ্বে নিজ নিজ বিমান সংস্থাৰ সৈতে যোগাযোগ কৰি শেহতীয়া তথ্যসমূহ সংগ্ৰহ কৰি ল'বলৈ পৰামৰ্শ দিছে। ইয়াৰ লগতে বিমান উৰণৰ প্ৰকৃত সময় জানিবলৈ বিমান বন্দৰৰ চৰকাৰে ৱেবছাইট চাবলৈও পৰামৰ্শ দিয়া হৈছে। অৱশ্যে আন আন দেশৰ সকলো বিমান নিৰ্ধাৰিত সূচী অনুসৰি চলি আছে বুলি কৰ্তৃপক্ষই স্পষ্ট কৰি দিছে। ইপিনে, ইণ্ডিগ' বিমান সেৱাই সাম্প্ৰতিক পৰিস্থিতিৰ বাবে তেওঁলোকৰ কিছুমান বিমানে দীঘলীয়া পথ ল'ব লগা হ'ব পাৰে অথবা পথ সলনি কৰিবলগীয়া হ'ব পাৰে বুলি জানিবলৈ দিছে। বিমান সংস্থাটোৱে প্ৰকাশ কৰা মতে হঠাতে জাৰি কৰা নিষেধাজ্ঞাৰ বাবে দিল্লীৰ পৰা মানচেষ্টাৰ অভিমুখী সংস্থাটোৰ এখন বিমান আকাশমাৰ্গৰ পৰা পুনৰ দিল্লীলৈ ঘূৰি আহিবলগীয়া হয়। এই বিমানখনৰ যাত্ৰা পুনৰ সুচাৰুৰূপে আৰম্ভ কৰাৰ বাবে বিকল্প পথৰ সন্ধানত সংস্থাটোৱে সংশ্লিষ্ট কৰ্তৃপক্ষৰ সৈতে যোগাযোগ কৰি আছে বুলিও জানিবলৈ দিছে।

ooooo

ৰাজ্যসভাত আজি পৰিবেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়ৰ কাম-কাজ সন্দৰ্ভত আলোচনা অনুষ্ঠিত হয়। আলোচনা আৰম্ভ কৰি বিজেপিৰ ঘনশ্যাম তিৱাৰীয়ে কয় যে অতীজৰে পৰাই প্ৰকৃতি আৰু পৰিবেশৰ সৈতে ভাৰতীয় সংস্কৃতি সংপৃক্ত হৈ আছে। বনাঞ্চল বৃদ্ধিকে ধৰি পৰিবেশ সংৰক্ষণৰ বাবে চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাবোৰক তেওঁ ভূয়সী প্ৰশংসা কৰে। চৰকাৰে জল সুৰক্ষাত গুৰুত্ব দিব লাগে বুলি মন্তব্য কৰি ৱাই এছ আৰ চি পিৰ সদস্য অযোগ্য ৰামি ৰেড্ডী আল্লাই কয় যে বিশ্বৰ মুঠ জনসংখ্যাৰ ১৮ শতাংশ লোক বাস কৰা আৰু মাত্ৰ ৪ শতাংশ ব্যৱহাৰযোগ্য পানী থকা ভাৰতত নীতি আয়োগে দেশৰ ৬০ কোটি লোক পানীৰ নাটনিত ভোগে বুলি তথ্য দিছিল। তেওঁ কয় যে জল সুৰক্ষা পাৰিবেশিক প্ৰশাসনৰ অভিন্ন অংশ।

ooooo

সমাপ্ত